আৰু প্ৰয়োজন এটাও নাই।

তাইৰ ফোনটো বাজি উঠিল। অলপ আঁতৰলৈ তাই উঠি গ'ল। হয়তো কাষ্টমাৰ। তাইৰ কাৰণে কিবা এটা কৰিব পৰা যায় নেকি? ক্লাবৰ মেম্বাৰখিনিৰ লগত আলোচনা কৰিব লাগিব কথাটো। তাই খৰখেদাকৈ সোমাই আহিল।

ঃ বাইদেউ, মই যাওঁ। মোৰ দৰকাৰী কাম এটা ওলাল।

ঃ ব'লা মই তোমাক গণেশগুৰিত ড্ৰপ কৰি দিম।

ঃ নালাগে বাইদেউ। আপুনি ডাউন টাউনতহে থাকে, মোক থ'বলৈ আগবাঢ়ি যাব নালাগে। মই ছিটিবাছতে যাম।

খৰখেদাকৈ ওলাই গ'ল তাই। মই লাউঞ্জলৈ ওলাই আহিলোঁ। ছিকিউৰিটিয়ে গাড়ীখন আনি পৰ্চত থ'লেহি। গাড়ীত বহি মই তাইৰ কথা ভাবি ভাবি একেবাৰে জুৰুলা হৈ ভিভাণ্টাৰ গে'ট পালোঁহি। ফোন। মোৰ ল'ৰা জোনাকৰ ফোন। অ' আজি তাৰ লাষ্ট ছেমিষ্টাৰৰ ৰিজাল্ট দিব। আইজনীৰ লগত কথা পাতি মই পাহৰিয়েই গৈছিলোঁ।

ঃ কোৱা বাবা ৰিজাল্ট কি?

ঃ মা মই ফাৰ্ষ্ট ক্লাছ ছেকেণ্ড।

ঃ ভেৰি গুড বাবা।

ঃ মা ৰঞ্জন ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট।

ঃ ৱাও!

ঃ মা তাক লগ কৰিবলৈ যাম আজি, তুমি ক'ত আছা সোনকালে আহা।

ঃ গৈ আছোঁ গৈ আছোঁ, তুমি ৰেডি হৈ ওলাই আহা গোবিন্দমৰ মুখলৈ, বাহিৰে বাহিৰে যাম। ঘৰলৈ গৈ আৰু সময় নষ্ট নকৰোঁ।

ঃ অ'কে মম।

জোনাকে এইবাৰ ইঞ্জিনিয়াৰিং পাছ কৰিছে। তাৰ লগৰ ল'ৰা ৰঞ্জন। জালুকবাৰীৰ কোনোবা এটা ফ্লেটত ছিকিউৰিটিৰ বেৰেকত থাকে। দিনটোত দুবাৰ টেংকিত পানী ভৰ্তি কৰা আৰু ৰাতিৰ চকীদাৰি কৰি দিনত ইঞ্জিনিয়াৰিং পঢ়ি আছে গুৱাহাটীৰ অসম ইঞ্জিনিয়াৰিং কলেজত। ল'ৰাটোৰ কথা ভাবি মোৰ সন্মান জাগি উঠিল তাৰ প্ৰতি। জোনাকক উঠাই লৈ মই জালুকবাৰী অভিমুখে গতি কৰিলোঁ।

ঃ মা তুমি কিন্তু তাৰ কথা একো নুসুধিবা দেই। সুধিলে সি বেয়া পায়।

ঃ নাই নাই নোসোধোঁ কিয় সুধিম?

ঃ আচৰিত মা, ইমান কষ্ট কৰি পঢ়িও সি ৯৭% পাইছে। আৰু কি জানা মা সি Bhelত পালে নহয় কেম্পাছত। পৰহিলৈ জইন কৰিব।

ঃ ৱাও ৰিয়েলি?

ঃ য়েছ মা। মা তুমি বাহিৰতে ৰ'বা মই তাক মাতি আনিমগৈ। তুমি তালৈ গ'লে সি বেয়াও পাব পাৰে।

ঃ ঠিক আছে।

ঃ ইমান যে ভাল ল'ৰা ৰঞ্জন!

কেম্পাছত অইলৰ চাকৰি পোৱা মোৰ ল'ৰা জোনাক তাৰ বন্ধুৰ প্ৰশংসাত পঞ্চমুখ। আমি আহি আহি ৰঞ্জন থকা ফ্লেটটো পালোঁহি। জঁপ মাৰি জোনাক নামি গ'ল। গাড়ীখন ঘূৰাই মই চাই ৰ'লোঁ ফ্লেটটোৰ বেছমেণ্টলৈ। জোনাক দৌৰি গৈ ৰঞ্জনক সাবটি ধৰিলে। মোৰ বুকুখন শাঁত পৰি গ'ল। হঠাৎ মোৰ দুচকু পিছফালৰ সৰু গে'টখনত ৰৈ গ'ল। দৌৰাদৌৰিকৈ সোমাই আহিছে আইজনী! হাতত এটা টোপোলা। মই উদগ্ৰীৱ হৈ ডিঙি মেলি চালোঁ। আইজনীয়ে ৰঞ্জনক সাবটি ধৰি চুমা খাইছে।

জোনাকৰ মেছেজ,

"ৰঞ্জনৰ মাক আহিছে। সিহঁতে কান্দিছে মা। মই অকণমান ৰ'ব লাগিব। সি শান্ত হ'লেই মই তাক তোমাৰ ওচৰলৈ লৈ যাম। প্লিজ অকণমান ৰ'বা হাঁ মা।"

"অ'কে।"

মই গাড়ীখন ষ্টাৰ্ট দি লাহে লাহে গলিটোৰপৰা ওলাই আহিলোঁ ৰাজপথলৈ। নালাগে, ৰঞ্জনে মোক লগ পাব নালাগে। সি আগবাঢ়ক প্ৰচণ্ড আত্মবিশ্বাসেৰে। কোনেও চিনি নোপোৱাকৈয়ে, সি তাৰ মাকক লৈ গুচি যাওক বহুত দূৰলৈ। গণেশগুৰিৰ চিনাকি পতিতাৰ নামটো মোহাৰি, আইজনী এজন ইঞ্জিনিয়াৰৰ মাক হৈ জীয়াই থাকক। মলিন শৈশৱে ৰং কাটি লোৱা তাইৰ জীৱনলৈ, ৰামধেনুৰ সাতো ৰং নামি আহক।

"জোনাক মোৰ জৰুৰী কাম ওলাল। আমি বেলেগ এদিন আকৌ আহিম ৰঞ্জনৰ ওচৰলৈ, তুমি আহা মই হাইৰেত ৰৈ আছোঁ।" মোৰ ল'ৰাৰ মোবাইললৈ মোৰ মেছেজ ...

ঠিকনা ঃ C/o-Er. Navajyoti Sarma, Fleet Head, Anam GVKEMRI, 2nd Floor, Subham Greens, Express Highway 37, Lokhora, Guwahati-781040, Ph. : 8787732817, 7086491190


# ডাকযোগে প্ৰান্তিক

প্ৰান্তিকে ৰেহাই হাৰত ডাকযোগে গ্ৰাহক হোৱাৰ সুবিধা আগবঢ়াই আহিছে। আপুনি এই সুবিধা গ্ৰহণ কৰিবলৈ আগ্ৰহী হ'লে উপহাৰ দিব খোজা বন্ধু-বান্ধৱী বা আত্মীয়জনৰ আৰু আপোনাৰ সম্পূৰ্ণ নাম-ঠিকনা (পিনক'ডসহ); আপুনি নিজৰ বাবে বিচাৰিলে আপোনাৰ সম্পূৰ্ণ নাম-ঠিকনা (পিনক'ডসহ) ইংৰাজী বৰফলা আখৰেৰে লিখি তলত উল্লেখ কৰা নিৰিখত প্ৰয়োজনীয় বৰঙণিখিনি প্ৰান্তিকৰ নামত **(Prantik)** চেক, বেংক ড্ৰাফটযোগে ডাকত আমালৈ পঠাওক অথবা আমাৰ কাৰ্যালয়ত আহি জমা দিব পাৰিব।

বৰঙণিৰ নিৰিখ ঃ **ভাৰতৰ ভিতৰত আৰু বাংলাদেশ, নেপাল আৰু ভূটানৰ বাবে** ঃ এবছৰত **৬৫০** টকা, দুবছৰত **১২০০** টকা, আৰু তিনি বছৰত **১৭৫০** টকা।

**বিদেশৰ বাবে ঃ**

**কানাডা, আমেৰিকা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২৬৫০ টকা = **৩৩০০ টকা।**

**ইউৰোপ, এছিয়া আৰু আফ্ৰিকা ঃ**

এবছৰৰ বৰঙণি—৬৫০ টকা + ডাক মাচুল—২১৬০ টকা = **২৮১০ টকা।**

***১ এপ্ৰিল ২০১৯ৰপৰা প্ৰযোজ্য**

**প্ৰান্তিক,**

নৰগিৰি পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩